**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

oooooo

লোকসভাত আজি সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হৈছে। আলোচনাত ভাগ লৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংবিধান প্ৰণেতা ড০ ভীমৰাও আমবেদকাৰৰ অৱদানৰ কথা সোঁৱৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানৰ আদৰ্শৰে চবকা চাথ, চবকা বিকাশ, চবকা বিশ্বাস আৰু চবকা প্ৰয়াস মন্ত্ৰৰে কাম কৰি আছে। শ্ৰী ৰিজিজুৱে কয় যে স্বাধীনতাৰ পাছত দেশে সকলোৰে সমান অধিকাৰ লাভ কৰাটো সুনিশ্চিত কৰিছে। সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল দেশত কোনোধৰণৰ বৈষম্যৰ বলি হোৱা নাই। বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকক দেশত আইনী সুৰক্ষা প্ৰদান কৰা হৈছে।

ooooo

বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত গোলাঘাট জিলাৰ হিতাধিকাৰীসকলৰ মাজত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ তৃতীয় পৰ্যায়ৰ সাহায্য বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী- বিধায়ক উপস্থিত থাকিব। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই গোলাঘাটত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ও পৰিদৰ্শন কৰিব। বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ অধীনত গোলাঘাটত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ঋণ মাফ কৰি দিয়া প্ৰমাণপত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত জিলাখনৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণী উপকৃত হ'ব।

oooooo

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত কাইলৈ নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কামৰূপ মহানগৰৰ দুটা বিধানসভা সমষ্টিৰ বাবে সৰুসজাই ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব। সেই অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ আৰু প্ৰতিটো অগ্ৰাধিকাৰপ্ৰাপ্ত ৰেচন কাৰ্ড থকা পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই মাহিলি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব। একেদৰে বৰ্তমান ৰন্ধন গেছৰ সংযোগ নথকা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালে প্ৰধানমন্ত্ৰী উজলা যোজনাৰ অ্ধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ লাভ কৰিব। তদুপৰি এনে সুবিধাপ্ৰাপ্ত লোকসকলে প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাভ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব।

oooooo

গুৱাহাটীত অনুষ্ঠিত পঞ্চদশ ডিজিটেল ৰূপান্তৰকৰণ সন্মিলনত কালি উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগৰ সহযোগত দেশৰ তথ্য প্ৰযুক্তি খণ্ডৰ আগশাৰিৰ এটা প্ৰতিষ্ঠানে আৰম্ভ কৰা দিজিটেল ৰূপান্তৰকৰণ সন্মিলন খনত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে দিজিটেল ব্যৱস্থাৰ ক্ষীপ্ৰ তথা ব্যাপক প্ৰসাৰণে অৰ্থনৈতিক খণ্ডত প্ৰভাৱ পেলায়। বিশ্বজুৰি বহনক্ষম তথা সৰ্বাংগীন উন্নয়নৰ দিশটো তথ্য প্ৰযুক্তি আধাৰিত দিজিটেল ব্যৱস্থাৰ ব্যাপক সম্প্ৰসাৰণৰ ওপৰতে এতিয়া আটাইতকৈ বেছি নিৰ্ভৰশীল হৈ পৰিছে বুলি তেওঁ প্ৰকাশ কৰে। আগত দিনবোৰত দিজিটেল ৰূপান্তৰকৰণেই একোখন সমাজৰ উন্নয়নৰ মূল চালিকা শক্তি হ'ব বুলিও তেওঁ কয়।

ooooooo

দেশ বিদেশৰ পৰ্যটকৰ বাবে কাজিৰঙাত প্ৰথমখন চৰকাৰী অৰ্কিড পাৰ্ক মুকলি হ'ব। ২০২৫ চনৰ জুলাই মাহত এই চৰকাৰী অৰ্কিড পাৰ্কৰ আৰম্ভণি কৰা হ'ব। কাজিৰঙাত নিৰ্মাণ হৈ থকা চৰকাৰী অৰ্কিড পাৰ্কৰ কাম-কাজ নিৰীক্ষণ কৰি বিভাগীয় মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এইদৰে কয়।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ আদি প্ৰচাৰ কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীচবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বাতিল কৰা হয়। খেলখন কাইলৈ নিৰ্ধাৰিত সময়ৰ আধা ঘণ্টা পূৰ্বে আৰম্ভ হ'ব। অষ্ট্ৰেলিয়াই আজি প্ৰথমে বেট ধৰি বৰষুণৰ আগলৈকে ২৮ ৰান সংগ্ৰহ কৰে।

ooooo

সমাপ্ত